# তিনিচুকীয়াত সাহিত্যকাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱাৰ প্ৰতিমূৰ্তি উন্মোচন

যোৱা ২ নৱেম্বৰ তাৰিখে তিনিচুকীয়া চহৰৰ ৰঙাগড় ৰোডত অৱস্থিত তিনিচুকীয়া শাখা সাহিত্য সভাৰ কাৰ্যালয় চৌহদত অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি সাহিত্যকাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱাৰ এটি প্ৰতিমূৰ্তি আনুষ্ঠানিকভাৱে উন্মোচন কৰে সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই। উন্মোচনী ভাষণত সভাপতি ড° শইকীয়াই এই মূৰ্তি নিৰ্মাণৰ বাবে সাত লাখ পঞ্চাশ হাজাৰ টকাৰ দান আগবঢ়োৱা তিনিচুকীয়া শাখা সাহিত্য সভাৰ সভাপতি তিলক সন্দিকৈ আৰু তেওঁৰ সহধৰ্মিনী স্বৰ্ণলতা সন্দিকৈক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখযোগ্য যে এই প্ৰতিমূৰ্তি নিৰ্মাণ কৰে মৰাণৰ শিল্পী চন্দন গগৈয়ে।




সভাত ভাষণ প্ৰদান কৰিছে অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই

শাখা সভাপতি তিলক সন্দিকৈৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদব চন্দ্ৰ শৰ্মা, ডিব্ৰুগড় আঞ্চলিক সম্পাদক ডাঃ শান্তনু লহকৰ, সভাৰ কৰ্ণধাৰ সমিতিৰ সদস্য গিৰিশ সন্দিকৈ, তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি আৰু সম্পাদক যথাক্ৰমে অৰ্জুন বৰুৱা আৰু মনোৰম বৰুৱা, আৰু তিনিচুকীয়া চহৰৰ এচাম গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

ইয়াৰ পিছত এক অন্তৰঙ্গ অনুষ্ঠানত সভাৰ সভাপতি ড° শইকীয়াই এচাম ছাত্ৰ-ছাত্ৰী, লেখক-লেখিকা, সাংবাদিক আৰু সাহিত্য-সংস্কৃতিকৰ্মীৰ সৈতে মিলিত হয়।

০০০০